# যাকোবে স্বৰ্গ দেখা পোৱা

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভু, পুৰণি নিয়মত থকা পুৰণি আদিপুৰুষ বিলাকৰ শিক্ষা আৰু দুঃসাহসিকতাবোৰ শলাগিবলৈ ল'ৰা-ছোৱালীবোৰক সহায় কৰা।"

ল'ৰা-ছোৱালীবোৰৰ বয়সৰ লগত খাপ খোৱাকৈ তেওঁলোকৰ শিকা প্ৰণালীবোৰৰ যিকোনো এটি বাছি লওক।

যাকোবে সপোনত স্বৰ্গ ঢুকি পোৱাকৈ এডাল জখলা দেখা পাইছিল, যিডালত দূতবিলাকে উঠা-নমা কৰি আছিল। (আদি পুস্তক ২৮ঃ১২ পদ)



এজন ডাঙৰ ল'ৰা বা শিক্ষকক যাকোবৰ জখলাৰ কাহিনীটো আদিপুস্তক ২৪ঃ১০-২২ পদলৈ পঢ়িব দিয়ক। ইয়াতে যাকোব, যিজন ইস্ৰায়েল জাতিৰ এজন পিতৃ আছিল, তেওঁৰ আগত ঈশ্বৰে নিজকে কেনেকৈ প্ৰকাশ কৰিছিল সেই বিষয়ে লিখা আছে।

কাহিনীটো কোৱাৰ পিছত এই প্ৰশ্নবোৰ সোধক। *(উত্তৰবোৰ প্ৰত্যেকটো প্ৰশ্নৰ পাছতে দিয়া আছে।)*

- যাকোবে তেওঁৰ যাত্ৰাৰ কালত গাৰু হিচাপে জিৰণিৰ সময়ত কি ব্যৱহাৰ কৰিছিল? *(১১ পদটো চাওক)*
- যাকোবে কিহৰ বিষয়ে সপোন দেখিছিল? *(১২ পদ চাওক)*
- যাকোবৰ বংশধৰ বিলাকৰ সংখ্যাৰ বিষয়ে প্ৰভুৱে কি প্ৰতিজ্ঞা কৰিছিল? *(১৪ পদ চাওক)*
- জগতৰ সকলো পৰিয়াললৈকে কোনে আশীৰ্ব্বাদ স্বৰূপ হ'ব বুলি ঈশ্বৰে কৈছিল? *(১৪ পদ চাওক)*
- প্ৰভুৱে যাকোবৰ যাত্ৰাৰ বিষয়ে তেওঁক কি আশ্বাস দিছিল? *(১৫ পদ চাওক)*
- সাৰ পাই যাকোবে কিয় ভয় খাইছিল? *(১৬-১৭ পদ চাওক)*
- ঈশ্বৰে দিয়া সকলো বস্তুৰে দহ ভাগ দিব বুলি যাকোবে কাক প্ৰতিজ্ঞা কৰিছিল? *(২০-২২ পদ চাওক)*

**যাকোবৰ সপোনৰ গল্পটোৰ বিষয়ে কিছু অংশ নাটক কৰি দেখুৱাওক।** (আদিপুস্তক ২৮ঃ১০-২২ পদ)

- উপাসনা চলাওঁতাজনৰ লগত বন্দবস্ত কৰি ল'ৰা-ছোৱালীবিলাকক নাটকখন পৰিবেশন কৰিবলৈ দিয়ক।
- আপোনাৰ শিকোৱাৰ সময়খিনি ল'ৰা-ছোৱালীবিলাকৰ লগত নাটকখন প্ৰস্তুত কৰি ল'বলৈ সহায় কৰা কামত ব্যৱহাৰ কৰক।
- আপুনি গোটেই কেইটা ভাগ ব্যৱহাৰ কৰিব নালাগে।

- সৰু ল'ৰা-ছোৱালীবোৰে প্ৰস্তুত কৰি লোৱা কাৰ্য্যত ডাঙৰবোৰক সহায় কৰিবলৈ দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালী বা বয়সস্থবিলাকক এইবোৰ ভাওঁ ল'বলৈ দিয়ক ঃ
  **যাকোব ঃ** এটা শিল আৰু এটা সৰু বটল যোগাৰ কৰক।
  **ঈশ্বৰৰ মাত।**
  **বৰ্ণনাকাৰী ঃ** কাহিনীটো থুলমূলকৈ কওক আৰু কি ক'ব বা কৰিব তাক মনত ৰাখিবলৈ ল'ৰা-ছোৱালীবোৰক সহায় কৰক।
- চকীবিলাক বা জখলা বুজোৱা তেনেধৰণৰ আন কোনো বস্তু লৈ ল'ৰা-ছোৱালীবিলাকক দূতবোৰৰ ভাওবোৰ ল'বলৈ দিয়ক।

**বৰ্ণনাকাৰী ঃ** আদিপুস্তক ২৮ঃ১০-২২ পদত থকা গল্পটো কয়, তাৰ পিচত কয় ঃ "যাকোবে কি কৈছে শুনা।"

**যাকোব ঃ** শিলটো মূৰৰ তলত লৈ শুই থাকা। তাৰ পিচত কয়, "ৰাতি হ'ল। মই বহুতদূৰ যাত্ৰা কৰিলো, মই শুৱা উচিত।"

**দূতবিলাক ঃ** যাকোবৰ ওচৰত জখলাডাল থৈ তাত উঠা নমা কৰি থাকে।

**ঈশ্বৰৰ মাত ঃ** (প্ৰত্যেকটো প্ৰতিজ্ঞা ডাঙৰকৈ, স্পষ্টভাৱে আৰু লাহে লাহে কয়।)

"যাকোব, মই তোমাৰ পিতৃ ইচাহাক আৰু ককাদেউতা অব্ৰাহামৰ প্ৰভু ঈশ্বৰ।
"মই তোমাক অনেক বংশধৰ দিম।
"মই সিবিলাকৰ যোগেদি গোটেই জগতখনক আশীৰ্ব্বাদ কৰিম।
"মই তোমাৰ যত্ন লম।

**দূতবিলাক ঃ** জখলাডাল লৈ গুছি যায়।

**যাকোব ঃ** সাৰ পাই উঠি কয়, "কি ফলপ্ৰদ সপোন! এইখন এখন অদ্ভুত ঠাই, কাৰণ ঈশ্বৰ ইয়াত আছে! মই ইয়াতে এটি স্মাৰক ৰাখি থৈ যাম।" (শিলৰ গাৰুটো উঠাই লয় আৰু য'ত সকলোৰে দেখা পাব পাৰে তেনে ঠাইত থৈ দিয়ে। বটলটোৰ পৰা শিলটোৰ ওপৰত তেল ঢলাৰ ভাও ধৰে।) ঈশ্বৰে যদি মোৰ যাত্ৰাত মোক ৰক্ষা কৰে, তেন্তে তেৱেঁই মোৰ ঈশ্বৰ হ'ব।

**বৰ্ণনাকাৰী ঃ** নাটকখন কৰিবলৈ সহায় কৰা আটাইকে ধন্যবাদ দিয়ে।

**প্ৰশ্নবিলাক ঃ** যদি ল'ৰা-ছোৱালীবোৰে নাটকখন ডাঙৰ বিলাকৰ কাৰণে কৰিছে তেনেহ'লে ওপৰত দিয়া প্ৰশ্নবিলাককে ডাঙৰবিলাকক সুধিবলৈ দিয়ক।

**ল'ৰা-ছোৱালীবোৰক সোধক ঃ** ঈশ্বৰে নিজকে মানুহবিলাকৰ আগত প্ৰকাশ কৰাৰ আন উদাহৰণবোৰ কি কি? (ল'ৰা-ছোৱালীবিলাকক উদাহৰণবোৰ দিবলৈ দিয়ক)

**এডাল জখলাৰ ছবি** আঁকি ল'ৰা-ছোৱালীবোৰক অনুকৰণ কৰিবলৈ দিয়ক। উপাসনাৰ সময়ত তেওঁলোকৰ ছবিবোৰ ডাঙৰ বিলাকৰ আগত দেখুৱাব পাৰে আৰু বুজাই দিবলৈ দিয়ক যে স্বৰ্গলৈ যোৱা এই জখলাডালে এইটোকে সূচায় যে আমি ঈশ্বৰক দেখা নোপোৱা কালতো তেওঁ আমাৰ চাৰিওফালে থাকে।



**ইফিচীয়া ৫ঃ২০ পদটো মুখস্থ কৰক।**

"সদায় সকলো বিষয়ৰ কাৰণে, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰা।"

তেওঁত বিশ্বাস কৰা সকলৰ ওপৰত ঈশ্বৰে সদায় কেনেকৈ দৃষ্টি ৰাখে সেই বিষয়ে ডাঙৰ ল'ৰা-ছোৱালীবোৰক এটি কবিতা বা গীত লিখিবলৈ দিয়ক।

**কবিতা ঃ** চাৰিগৰাকী ল'ৰা-ছোৱালীক গীতমালা ১৩৯ঃ৭-১০ পদকেইটা একোটাকৈ আবৃত্তি কৰিবলৈ দিয়ক।

মই তোমাৰ আত্মাৰ আগৰ পৰা ক'লৈ যাম?
    আৰু তোমাৰ সন্মুখৰ পৰা বা ক'লৈ পলাম?
যদি স্বৰ্গলৈ উঠো, তুমি তাতো তুমি থাকা,
    যদি চিয়োলত মোৰ শয্যা পাৰো, চোৱা, তাতো তুমি।
যদি মই অৰুণৰ ডেউকা ধৰি সমুদ্ৰৰ সীমাত বসতি কৰোঁ,
    তাতো তোমাৰ সোঁহাতে মোক ধৰি ৰাখিব।

**প্ৰাৰ্থনা ঃ** "পিতৃ, তোমাক আমি ধন্যবাদ দিওঁ কিয়নো তুমি নিজকে যাকোবলৈ প্ৰকাশ কৰিলা। আমি জানো যে, তুমি আমাৰ লগত সকলো সময়তে আছা, যিদৰে তুমি যাকোবৰ লগত আছিলা। তেওঁৰ নিচিনাকৈ আমি তোমাত বিশ্বাস কৰিবলৈ তুমি আমাক সহায় কৰা। যাকোবৰ বংশৰ যীচুৰ যোগেদি মোক আৰু আন সকলোকে আশীৰ্ব্বাদ কৰা বাবে তোমাক ধন্যবাদ দিওঁ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net